স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

৮ এপ্ৰিল ২০২৬ চন □ VOL-16 □ NO-53 □ TUESDAY 28 APRIL 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUG

# কানৈ মহাবিদ্যালয়ত সংগীতম বাৰ্তা উন্মোচন

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৭ এপ্ৰিল ঃ** ডিব্ৰুগড়ৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান সংগীতমৰ কাৰ্যসূচী ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত কালি অনুষ্ঠিত হয়। সংগীতমৰ সম্পাদক ড° মিনাক্ষী সেন শৰ্মাই আঁত ধৰা অনুষ্ঠানটিৰ লগত সংগতি ৰাখি সংগীতমৰ বাৰ্ষিক মুখপত্ৰ 'সংগীতম বাৰ্তা' উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাধ্যাপক ড° নাছমিম ফাৰহান আখতাৰে। বাৰ্ষিক মুখপত্ৰ উন্মোচন কৰি ড° আখতাৰে কয়, সংগীতমৰ এনে প্ৰচেষ্টা সঁচাই প্ৰশংসনীয়। সংগীতমে সমাজ-সংস্কৃতিৰ বাবে কৰি অহা কামবোৰে সমাজক এক নতুন পথ দেখুৱাবলৈ সক্ষম হৈছে। তেওঁ সংগীতমে এনে এখন সৰ্বাংগ সুন্দৰ বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰি উলিওৱাৰ বাবে মুখপত্ৰ সম্পাদনা সমিতিৰ লগতে সংগীতমৰ সমূহ বিষয়ববীয়াক ভূঁয়সী প্ৰশংসা কৰে। সংগীতমে বিভিন্ন সময়ত কৰি অহা সামাজিক-সাংস্কৃতিক কৰ্মসমূহৰ বাবে তেওঁ সকলোকে অভিনন্দন জ্ঞাপন কৰে। সংগীতম বাৰ্তাৰ সম্পাদক ডাঃ নৱনীতা বৰ্মনে মনৰ ভাৱ ব্যক্ত কৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখক, সাহিত্যিক তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই অসমীয়া ভাষাত ১২ পৃষ্ঠাৰ ৰঙীণ ফটোসহ প্ৰকাশ কৰি উলিওৱা 'সংগীতম বাৰ্তা'খনৰ ভূঁয়সী প্ৰশংসা কৰি কয়, অসমীয়া ভাষাত প্ৰকাশ কৰা এই সংগীতম বাৰ্তা মাথোঁ সংগীতমৰ কাম-কাজৰ খতিয়ান দাঙি ধৰা দলিল নহয়, ই অসমীয়া সমাজৰ এক সম্পদ। ইয়াক পুথিভঁৰালত সংৰক্ষণ কৰি ৰাখিলে বিশ্বায়নৰ যুগত অসমীয়া বহু কথা হেৰাই গ'লেও এই মুখপত্ৰখনে এই সময়ছোৱাক ধৰি ৰাখিব।

মদাহী জন

# মৰাণ আঞ্চলিক

**নিয়মীয়া বাৰ্তা, মৰাণ, ২৭ এপ্ৰিল ঃ** মৰাণ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত একত্ৰিংশতিতম ব'হাগী মহোৎসৱ যোৱা ২৫ আৰু ২৬ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। প্ৰথম দিনা পুৱা মৰাণ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শৈল্য বড়াই সদৌ অসম ছাত্ৰ সন্থাৰ আৰু উদ্‌যাপন সমিতিৰ সভাপতি আব্দুল জেলিলে বিহুৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পাছতে আঞ্চলিক ছাত্ৰ সন্থাৰ সৌৰভ গগৈয়ে শ্বহীদ তৰ্পণ আৰু উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি বাছা বৰাই স্মৃতি তৰ্পণ কৰে। বিয়লি বিশিষ্ট কাঁহী নাচনি, লোকশিল্পী প্ৰদীপ গগৈয়ে উদ্বোধন কৰা চেমনীয়া হুঁচৰি বিহু প্ৰতিযোগিতাত দুলীয়াজানৰ সপ্তসুৰ চেমনীয়া হুঁচৰি দল প্ৰথম, মাহমৰা মৌদুমনিৰ বিৰিণা চেমনীয়া হুঁচৰি দল দ্বিতীয় আৰু দুলীয়াজান ক্লাব মিউজিক একাডেমী চেমনীয়া হুঁচৰি দলে তৃতীয় স্থান দখল কৰে। আনহাতে, আন্তঃবিদ্যালয় হুঁচৰি বিহু প্ৰতিযোগিতাত মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰথম আৰু কচুমাৰি উচ্চ মাধ্যমিক বিদ্যালয় দ্বিতীয় বিবেচিত হয়। জেং বিহু প্ৰতিযোগিতাত শিৱসাগৰ দৰিকাপৰীয়া নিমাইজান গাভৰু জেং বিহু

দল প্ৰথম
অধিকাৰ
মৃণ্ময় বৰু
দ্বিতীয় স্থ
প্ৰতিযোগি
বেতালৰ
সক্ষম হয়।
লিখা প্ৰতি
তৃতীয়া প্ৰথ
অষ্টম শ্ৰে
উচ্চতৰ
কৰাৰ বি
শৰ্মা প্ৰথম
একাদশ
উচ্চতৰ
কৰে। প্ৰ
বিদ্যালয়
অষ্টম শ্ৰে
শ্ৰেণীৰ
বিদ্যালয়

পাৰ
প্ৰচ
দশ-ছবি
ভূ-স্বৰ্গ
দহিছে
মহাৰ
উত্তৰপ্
উৎকট
পৰিস্থি
ৰাজ্যত
বতৰ
পৰা স
কৃষ্ণভ
আ